মতে শ্ৰমেই উৎপাদনৰ

অৰ্থনীতিবিদে অস্বীকাৰ কৰি কয় যে শ্ৰম কোতিয়াও উপাদান হ'ব নোৱাৰে। হাবাৰলাৰৰ তত্বটো এইটো দিশত উন্নত। তেখেতৰ সুযোগব্যয় ধাৰণাটোত "সকলোবোৰ উপাদান ব্যৱহাৰ কৰিলে" ধাৰণাটোহে ব্যৱহাৰ কৰি বাকীবোৰ উপাদানকো গুৰুত্ব প্ৰদান কৰা হৈছে।

দ্বিতীয়তে, ৰিকাৰ্ডোৰ তত্বটোৱে সমাহাৰ উৎপাদন ব্যয় বিধিক হে মানি লৈছে। কিন্তু হাবাৰলাৰে সমাহাৰ, ক্ৰমহ্ৰাসমান আৰু ক্ৰমবৰ্দ্ধমান তিনিওটা ব্যয় বিধিকে মানি লৈছে।

হলেও, হাবাৰলাৰেও পূৰ্ণ প্ৰতিযোগিতা, উপাদানৰ স্থিৰ যোগান, আদি অভিধাৰণাবোৰ মানি লৈছে। এই ব্যাখ্যাই নিৰপেক্ষতা ৰেখাৰ ব্যাখ্যাও সঠিকভাৱে আগবঢ়াব পৰা নাই। শ্ৰমিকৰ দুখ, কষ্ট ত্যাগ আদিকো এই তত্বত উচিত মূল্য দিয়া দেখা নেযায়। তথাপিও আন্তৰ্জাতিক বাণিজ্য তত্বৰ ব্যাখ্যাত এই তত্বৰ প্ৰাসংগিকতাক এক আষাৰতে নুঁই কৰিব নোৱাৰি।

**1.14. হেক্সাৰ অ'লিনৰ তত্ব** (Heckscher-Ohlin Theory) ঃ দুখন দেশৰ মাজত আন্তৰ্জাতিক বাণিজ্য কেনেদৰেনো সম্ভৱ হয় তাক ব্যাখ্যা কৰি ৰিকাৰ্ডোৱে আগবঢ়োৱা তুলনামূলক ব্যয় তত্বটোৱে কি কাৰনেনো দেশ দুখনৰ মাজত সামগ্ৰী দুবিধৰ উৎপাদনত তুলনামূলক ব্যয় পাৰ্থক্যই দেখা দিয়ে তাৰ কাৰণ ব্যাখ্যা নকৰিলে। সেয়েহে অৰ্থনীতিবিদ ইলি হেক্সাৰ আৰু বাৰ্টিল অ'লিনে (Eli Hechscher and Bertil Ohlin) দুখন দেশৰ মাজত দুবিধ সামগ্ৰী উৎপাদনৰ বেলিকা কি কাৰনেনো তুলনা মূলক ব্যয় পাৰ্থক্যই দেখা দিয়ে তাৰ কাৰণ ব্যাখ্যা দিবলৈ গৈ আন্তৰ্জাতিক বাণিজ্য সম্পৰ্কত এটা নতুন তত্ব গঠন কৰে। এই তত্বটোকে হেক্সাৰ অ'লিন তত্ব বোলা হয়। বহুতোলোকে এখেতসকলৰ

এই ব্যাখ্যাক আন্তৰ্জাতিক বাণিজ্যৰ আধুনিক তত্ত্ব (Modern Theory of International Trade) আখ্যা দিয়ে। প্ৰকৃততে 1919 চনত অৰ্থনীতিবিদ ইলি হেক্সাৰে এই তত্ত্বটোক এখন গবেষণা পত্ৰত প্ৰচাৰ কৰিছিল। কিন্তু পিচত 1935 চনত বাৰ্টিল অ'লিনে এই তত্ত্বটোক এটা পূৰ্ণাঙ্গ তত্ত্বৰূপত গঢ়ি তোলে। হেক্সাৰে এই ক্ষেত্ৰত কেইটামান অভিধাৰণাৰ সহায় লৈছে। সেইয়া হ'ল —

ক) দৰ বা মূল্য অপৰিবৰ্তিত।

খ) উৎপাদনৰ উপাদানবোৰৰ প্ৰকৃতি আৰু গুণাগুণ অপৰিবৰ্তিত।

গ) কোনো উৎপাদন ব্যৱস্থাত উপাদানৰ প্ৰয়োগৰ সুবিধা বৃদ্ধিয়ে কোনো প্ৰকাৰৰ মিতব্যয়িতাৰ সৃষ্টি নকৰে।

এই অভিধাৰণা কেইটাৰ বাহিৰেও অ'লিনে আৰু কেইটামান অভিধাৰণা সংযোগ কৰা দেখা পোৱা যায়। এই অভিধাৰণা সমূহ হ'ল —

ঘ) দেশ দুখন। এখন A আৰু অন্যখন B ।

ঙ) উৎপাদন কাৰ্য্যত দুটা উপাদান ব্যৱহাৰ কৰা হয় সেইয়া হ'ল শ্ৰম আৰু মূলধন।

চ) দেশখনে দুবিধ সামগ্ৰী উৎপাদন কৰে, সেইয়া হ'ল X আৰু Y সামগ্ৰী। X সামগ্ৰীবিধ উৎপাদন কৰিবলৈ আপেক্ষিকভাৱে বেছি শ্ৰমিক লাগে আৰু Y সামগ্ৰীবিধ উৎপাদন কৰিবলৈ আপেক্ষিক ভাৱে বেছি মূলধনৰ প্ৰয়োজন হয়।

ছ) দেশ দুখনৰ A নামৰ দেশখনত শ্ৰমিকৰ যোগান অপৰ্যাপ্ত আৰু B নামৰ দেশখনত মূলধনৰ যোগান অপৰ্যাপ্ত।

জ) দ্ৰব্যৰ বজাৰতেই হওক বা উপাদানৰ বজাৰতেই হওক পূৰ্ণ প্ৰতিযোগিতা বিৰাজমান।

ঝ) উৎপাদন কাৰ্য্যত সমাহাৰ প্ৰতিদান বিধি প্ৰযোজ্য।

ঞ) পৰিবহন ব্যয় বা তেনে কোনো বাণিজ্যিক প্ৰতিবন্ধক থাকিব নাৰাৰিব।

ট) অৰ্থনীতিত পূৰ্ণ নিযুক্তি স্তৰ বাহাল থাকে।

ঠ) উৎপাদনৰ উপাদানবোৰ নিজ দেশত সম্পূৰ্ণ চলনশীল আৰু আন


খ) দুয়োখন দেশত প্ৰতিটো দ্ৰব্যতে উৎপাদন খৰচ একে থকাৰ।

হেক্সাৰ অ'লিনৰ মতে দুখন দেশৰ মাজত উৎপাদনৰ উপাদানৰ যোগানৰ পাৰ্থক্য আৰু দ্ৰব্য দুটা উৎপাদনৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা উপাদানৰ অনুপাতৰ পাৰ্থক্যৰ কাৰণে উৎপাদনী ব্যয়ৰ পাৰ্থক্য ঘটে। এনে পাৰ্থক্যৰ বাবেই দেশদুখনৰ মাজত উক্ত সামগ্ৰী দুবিধৰ ক্ষেত্ৰত আন্তৰ্জাতিক বাণিজ্যৰ সৃষ্টি হয়। যিখন দেশত শ্ৰমৰ প্ৰাচুৰ্য্যতা বেছি সেইখন দেশত শ্ৰমৰ ব্যয় কম হয়। সেয়েহে এনে দেশে শ্ৰম প্ৰধান সামগ্ৰী উৎপাদন কৰে। আনহাতেদি যিখন দেশত শ্ৰমৰ তুলনাত মূলধনৰ প্ৰাচুৰ্য্যতা বেছি তেনে দেশত শ্ৰমৰ তুলনাত মূলধনৰ ব্যয় কম হয়। এনে দেশে মূলধন প্ৰধান সামগ্ৰী উৎপাদন কৰি আনদেশলৈ ৰপ্তানি কৰিব পাৰে। এইটো দিশৰ পৰা হেক্সাৰ অ'লিন তত্ত্বই উপাদান সমূহৰ যোগানৰ প্ৰাচুৰ্য্যতাৰ দ্বাৰা তুলনামূলক ব্যয় পাৰ্থক্য নিৰ্দ্ধাৰণ কৰা হয় বুলি মানি লৈছে।


এটা উদাহৰণৰ সহায়েৰে হেক্সাৰ-অ'লিন তত্ত্বটো ব্যাখ্যা কৰিব পৰা যায়। ধৰা হওক দেশ দুখন, এখন ভাৰতবৰ্ষ আৰু আনখন ইংলেণ্ড। ভাৰতবৰ্ষত শ্ৰমৰ যোগান বেছি আৰু মূলধন যোগান কম। অৰ্থাৎ উপাদান হিচাবে শ্ৰমমূল্য ভাৰতত কম আৰু মূলধনৰ মূল্য বেছি। আনহাতেদি ইংলেণ্ডত শ্ৰমৰ যোগান কম বা শ্ৰমৰ মূল্য বেছি কিন্তু মূলধনৰ যোগান বেছি বা মূলধনৰ মূল্য কম। ধৰা হওক দেশ দুখনে দুবিধ সামগ্ৰী উৎপাদন কৰে। সামগ্ৰী দুবিধ হ'ল ঘেঁহু আৰু কাপোৰ। ঘেঁহু উৎপাদনত শ্ৰমৰ প্ৰয়োজন বেছি গতিকে শ্ৰমপ্ৰধান অৰ্থনীতি ভাৰতে ঘেঁহু অধিক উৎপাদন কৰিব। পুনৰ কাপোৰ উৎপাদনত মূলধনৰ প্ৰয়োজন বেছি হয় গতিকে মূলধন প্ৰধান অৰ্থনীতি ইংলেণ্ডে অধিক কাপোৰ উৎপাদনত মনোনিবেশ কৰিব। পুনৰ ভাৰতে ঘেঁহুৰ উৎপাদন কৰিলে কাপোৰ উৎপাদনৰ তুলনাত খৰচ কম হয় আৰু ইংলেণ্ডে ঘেঁহুৰ তুলনাত কাপোৰ কম খৰচৰ যোগেদি উৎপাদন কৰিব পাৰে। গতিকে দুয়োখন দেশৰ মাজত আন্তৰ্জাতিক বাণিজ্যিক সম্পৰ্ক স্থাপন কৰিলে ভাৰতে ঘেঁহু উৎপাদন কৰি কম মূল্যত ইংলেণ্ডক দিব পাৰিব আৰু ইংলেণ্ডে কাপোৰ উৎপাদন কৰি কম মূল্যত ভাৰতক দিব পাৰিব। গতিকে ভাৰতে ইংলেণ্ডলৈ ঘেঁহু ৰপ্তানি কৰি কাপোৰ আমদানি কৰিব। আৰু ইংলেণ্ডেও ভাৰতলৈ কাপোৰ ৰপ্তানি কৰি ঘেঁহু আমদানি

ভাৰতত কম আৰু মূলধনৰ মূল্য বেছি। আনহাতেদি ইংলেণ্ডত শ্ৰমৰ যোগান কম বা শ্ৰমৰ মূল্য বেছি কিন্তু মূলধনৰ যোগান বেছি বা মূলধনৰ মূল্য কম। ধৰা হওক দেশ দুখনে দুবিধ সামগ্ৰী উৎপাদন কৰে। সামগ্ৰী দুবিধ হ'ল ঘেঁহু আৰু কাপোৰ। ঘেঁহু উৎপাদনত শ্ৰমৰ প্ৰয়োজন বেছি গতিকে শ্ৰমপ্ৰধান অৰ্থনীতি ভাৰতে ঘেঁহু অধিক উৎপাদন কৰিব। পুনৰ কাপোৰ উৎপাদনত মূলধনৰ প্ৰয়োজন বেছি হয় গতিকে মূলধন প্ৰধান অৰ্থনীতি ইংলেণ্ডে অধিক কাপোৰ উৎপাদনত মনোনিবেশ কৰিব। পুনৰ ভাৰতে ঘেঁহুৰ উৎপাদন কৰিলে কাপোৰ উৎপাদনৰ তুলনাত খৰচ কম হয় আৰু ইংলেণ্ডে ঘেঁহুৰ তুলনাত কাপোৰ কম খৰচৰ যোগেদি উৎপাদন কৰিব পাৰে। গতিকে দুয়োখন দেশৰ মাজত আন্তৰ্জাতিক বাণিজ্যিক সম্পৰ্ক স্থাপন কৰিলে ভাৰতে ঘেঁহু উৎপাদন কৰি কম মূল্যত ইংলেণ্ডক দিব পাৰিব আৰু ইংলেণ্ডে কাপোৰ উৎপাদন কৰি কম মূল্যত ভাৰতক দিব পাৰিব। গতিকে ভাৰতে ইংলেণ্ডলৈ ঘেঁহু ৰপ্তানি কৰি কাপোৰ আমদানি কৰিব। আৰু ইংলেণ্ডেও ভাৰতলৈ কাপোৰ ৰপ্তানি কৰি ঘেঁহু আমদানি কৰিব। চিত্ৰ নং - 13 (ক) ৰ যোগেদি আমি আন্তৰ্জাতিক বাণিজ্য আৰম্ভ কৰাৰ আগতে ভাৰতৰ ঘৰুৱা বিনিময় হাৰ ধাৰণাটো ব্যাখ্যা কৰিব পাৰো। ধৰা হওক ভাৰতত থকা সকলো উপাদান (শ্ৰম আৰু মূলধন) ব্যৱহাৰ কৰি অকল কাপোৰ উৎপাদন কৰিলে OA পৰিমাণ কাপোৰ উৎপাদন কৰিব পাৰে। পুনৰ সকলোখিনি উপাদান ব্যৱহাৰ কৰি মাথোন ঘেঁহু উৎপাদন কৰিলে OB পৰিমাণ ঘেঁহু উৎপাদন কৰিব পাৰিব।

চিত্ৰ নং - 13 (ক)



এতেকে AB হ'ল ভাৰতৰ উৎপাদন সম্ভাৱনা ৰেখা (Production Possibility Curve চমুকৈ PPC)। TT হ'ল ভাৰতৰ নিজা বিনিময় চৰ্তৰেখা (Terms of trade curve)। CIC হ'ল ভাৰতৰ উপভোগৰ নিৰপেক্ষতা ৰেখা। এতেকে ভাৰতে E বিন্দুত ভাৰসাম্যতা লাভ কৰিব আৰু OX পৰিমান ঘেঁহু আৰু OY পৰিমানে কাপোৰ উৎপাদন কৰিব। চিত্ৰ নং 13 (খ) ৰ যোগেদি ঘেঁহু আৰু কাপোৰ উৎপাদন বেলিকা ইংলেণ্ডৰ ঘৰুৱা বিনিময় হাৰ সম্পৰ্কে আলোচনা কৰা হ'ল।





চিত্ৰত OX অক্ষৰে ঘেঁহু আৰু OY অক্ষৰে ইংলেণ্ডৰ কাপোৰ উৎপাদনক প্ৰকাশ কৰিছে। ইংলেণ্ডত থকা সমূহ উপাদান (শ্ৰম আৰু মূলধন) ব্যৱহাৰ কৰি ইংলেণ্ডে হয় OC পৰিমানে কাপোৰ নহয় OD পৰিমানে ঘেঁহু উৎপাদন কৰিব পাৰে। $TT_1$ হ'ল ইংলেণ্ডৰ সামগ্ৰী দুবিধৰ ক্ষেত্ৰত বিনিময় চৰ্তৰেখা আৰু $CIC_1$ হ'ল উপভোক্তা সকলৰ উপভোগৰ নিৰপেক্ষতা ৰেখা। চিত্ৰমতে ইংলেণ্ডে F বিন্দুত ভাৰসাম্যতা লাভ কৰি $OX_2$ পৰিমানে ঘেঁহু আৰু $OY_2$ পৰিমানে কাপোৰ উৎপাদন কৰি দেশীয় বাণিজ্যত ভাৰসাম্য অৱস্থাত উপনীত হ'ব।

13 (ক) আৰু 13 (খ) চিত্ৰ দুটাৰ পৰা এটা কথা স্পষ্ট যে ভাৰতে ঘেঁহু বেছিকৈ আৰু কাপোৰ কমকৈ উৎপাদন কৰিছে। পুনৰ ইংলেণ্ডে অধিক কাপোৰ

$C_3C_4$ পৰিমানৰ ঘেঁহু ইংলেণ্ডলৈ ৰপ্তানি কৰিব আৰু ইংলেণ্ডৰ পৰা $M_2Mo$ পৰিমান কাপোৰ আমদানি কৰিব বিচাৰিব। কিন্তু ইংলেণ্ডে $C_3C_4$ পৰিমানৰ ঘেঁহুৰ বাবদ $M_2M_3$ পৰিমানে কাপোৰ দিবলৈ প্ৰস্তুত থকাত ($M_2M_3$-$M_2Mo$=$MoM_3$) পৰিমানে কাপোৰ অতিৰিক্তভাবে লাভ কৰি আন্তৰ্জাতিক বাণিজ্যত লাভৱান হ'ব পাৰিব।

ঠিক একেদৰে ইংলেণ্ডে আন্তৰ্জাতিক বাণিজ্যিক সম্পৰ্ক ভাৰতৰ লগত স্থাপন কৰাৰ পিচত কাপোৰৰ উৎপাদন বঢ়াব আৰু ঘেঁহুৰ উৎপাদন কমাব। আগতে ইংলেণ্ডে R বিন্দুত ভাৰসাম্যতা লাভ কৰি কাপোৰ আৰু ঘেঁহুৰ উৎপাদন চলাই আছিল। কিন্তু বৰ্তমানত $R_1$ বিন্দুতহে ভাৰসাম্যতা স্থাপন কৰাত কাপোৰৰ উৎপাদন বৃদ্ধি আৰু ঘেঁহুৰ উৎপাদন কম কৰিলে। ইংলেণ্ডে ভাৰতক $MM_1$ পৰিমানে কাপোৰ দি $C_2C$ পৰিমানে ঘেঁহু পাবলৈ বিচাৰিব। কিন্তু ভাৰতে $MM_1$ পৰিমান কাপোৰৰ সলনি $C_2C_1$ পৰিমান পৰিমানে ঘেঁহু দিবলৈ প্ৰস্তুত থকাত আন্তৰ্জাতিক বাণিজ্যৰ যোগেদি ইংলেণ্ড ($C_2C_1$-$C_2C$=$CC_1$) পৰিমানে ঘেহু অতিৰিক্ত ভাৱে লাভ কৰি আন্তৰ্জাতিক বাণিজ্যৰ পৰা লাভৱান হ'ব পাৰিব।

চিত্ৰ নং ১৪ (ক)




ভাৰতৰ আমদানি-ৰপ্তানি


হেক্সাৰ অ'লিনৰ তত্বটোৰ মতে যদি দুখন দেশৰ মাজত উৎপাদনৰ উপাদানসমূহৰ ব্যয়ৰ পাৰ্থক্যৰ ভিত্তিত আন্তৰ্জাতিক সম্পৰ্ক স্থাপন কৰা হয় তেনেহলে দেশ দুখন তিনিধৰণেৰে উপকৃত হ'ব পাৰে।

১।প্ৰতিখন দেশেই নিজ দেশৰ উপাদান সমূহ ব্যৱহাৰ কৰি পূৰ্বৰ অৱস্থাতকৈ

অধিক উৎপাদন কৰিব পাৰিব।

২। যিবিধ সামগ্ৰী উৎপাদনত দেশখনৰ উৎপাদন ব্যয়ৰ সুবিধা অধিক সেইবিধ সামগ্ৰীৰ উৎপাদনত নিজ দেশত বঢ়াব আৰু আন বিধৰ উৎপাদন নিজ দেশত কমাব। নিজে উৎপাদন বৃদ্ধি কৰা সামগ্ৰীবিধ বিদেশলৈ ৰপ্তানি আৰু আনবিধ বিদেশৰ পৰা আমদানি কৰি অধিক লাভৱান হ'ব পাৰিব।

চিত্ৰ নং ১৪ (খ)



ইংলেণ্ডৰ আমদানি-ৰপ্তানি

৩। দুয়োখন দেশেই একো একোডাল উচ্চস্তৰৰ নিৰপেক্ষতা ৰেখাত উপনীত হয়। অৰ্থাৎ দুয়োখন দেশ আন্তৰ্জাতিক বাণিজ্যৰ যোগেদি লাভৱান হ'ব পাৰে।

1.18. **সমালোচনা** (Criticism)ঃ বহুসংখ্যক সমালোচকে মত পোষণ কৰে যে হেক্সাৰ অহলিনৰ তত্বটো সংস্থাপিত আন্তৰ্জাতিক বাণিজ্য তত্বতকৈ উন্নত। হলেও এই তত্বটোৰ কিছুমান দিশত এইসকল লোকে সমালোচনা কৰা দেখা যায়। এনে কেইটামান সমালোচনা হ'ল -

(i) **বাস্তৱতাহীন অভিধাৰণা** (Unrealistic Assumptions)ঃ অন্যান্য সংস্থাপিত অৰ্থনীতিবিদ সকলৰ দৰেই হেক্সাৰ অ'লিনৰ তত্বটোৱেও অনাৱশ্যকভাৱে মুক্ত বাণিজ্য, পূৰ্ণপ্ৰতিযোগিতা, পূৰ্ণ নিযুক্তি, পৰিবহন ব্যয়ৰ অনুপস্থিতি আদি কৰি অবাস্তৱ অভিধাৰণা কিছুমানৰ সহায় লোৱাত এই তত্বটোকো এচাম অৰ্থনীতিবিদে সমালোচনা কৰিছে।

(ii) **উপাদান সমূহৰ চলনশীলতা** (Mobilities of factor)ঃ হেক্সাৰ অ'লিনেও দুখন দেশৰ মাজত উপাদান বিলাকৰ চলনশীলতাক মানি ল'ব খোজা

নাই আৰু সম্পূৰ্ণৰূপে চলনহীন বুলি উল্লেখ কৰিছে। কিন্তু বাস্তবক্ষেত্ৰত দেখা পোৱা যায় যে উৎপাদনৰ উপাদান বিলাকৰ আন্তৰ্জাতিক চলনশীলতাও থাকিব পাৰে।

(iii) **নতুনত্বহীন** (Inovationless): অৰ্থনীতিবিদ ডনাল্ডচন আৰু জেকব ভাইনাৰ (Donaldson and Jacob Viner) এ এলানি উদাহৰণ ডাঙি ধৰি এইটো প্ৰতিপন্ন কৰিব বিচাৰিছে যে হেক্সাৰ অ'হলিন তত্বটোত সন্নিবিষ্ট কৰা প্ৰায়বিলাক গুৰুত্বপূৰ্ণ ব্যাখ্যাই পূৰ্বৰ অৰ্থনীতিবিদ সকলে তেওঁলোকৰ আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ কাৰণ ব্যাখ্যাৰ আলোচনাত অন্তৰ্ভুক্ত কৰিছে। গতিকে এই তত্বত নতুনত্ব একো নাই। মাথোন পূৰ্বৰ অৰ্থনীতিবিদ সকলৰ ব্যাখ্যা সমূহক প্ৰণালীবদ্ধভাৱে সজাই এক নতুন ৰূপত দাঙি ধৰা তোলাটোৱেই অ'লিনৰ কৃতিত্ব।

(iv) **চাহিদাৰ দিশটোক উপেক্ষা** (Ignored the demand side): হেক্সাৰ অ'লিন তত্বটোত উৎপাদনৰ উপাদান সমূহৰ আপেক্ষিক মূল্যই সিহঁতৰ আপেক্ষিক যোগানৰ বিষয়টো প্ৰতিনিধিত্ব কৰে বুলি মানি লোৱা হৈছে। প্ৰকৃততে উপাদানৰ যোগানৰ লগতে উপাদানৰ চাহিদাৰ দিশটোও আপেক্ষিক মূল্য নিৰ্দ্ধাৰণত গুৰুত্বপূৰ্ণ। সাধাৰণতে নাটনিযুক্ত উপাদানৰ চাহিদা বেছি আৰু অপৰ্য্যাপ্ত যোগান থকা উপাদানৰ চাহিদাযে কম হ'ব তাক এই তত্বই আলোচনা কৰা নাই।

(v) **দ্ৰব্যৰ পৃথকীকৰণ** (Product differentiation): প্ৰকৃততে দুখন দেশৰ মাজত আন্তৰ্জাতিক বাণিজ্যিক সম্পৰ্ক সংঘটিত হোৱাৰ এটা মূল কাৰণ হ'ল দ্ৰব্যৰ পৃথকীকৰণ। উপাদানৰ মূল্য নিৰ্দ্ধাৰণ দ্ৰব্যৰ দৰৰ পাৰ্থক্যইহে কৰিব পাৰে। গতিকে দৰৰ পৃথকীকৰণক হেক্সাৰ অ'লিনে ব্যাখ্যা কৰাৰ প্ৰয়োজন আছিল।

(vi) **আংশিক ভাৰসাম্য বিশ্লেষণ** (Partial Equilibrium Analysis): অ'লিনৰ ব্যাখ্যাটো এক প্ৰকাৰ আংশিক ভাৰসাম্যতাৰ উদাহৰণ। গতিকে আন্তৰ্জাতিক বাণিজ্যৰ ওপৰত প্ৰভাৱ পেলোৱা কাৰক সমূহৰ বিষয়ে এই তত্বই কোনো ব্যাখ্যা আগবঢ়োৱা নাই।

(vii) **সমগোত্ৰীয় উপাদান** (Homogenious factors of Production)